# বিজ্ঞানসন্মত এৰা খেতি আৰু এৰী পলু পালন পদ্ধতি

**এৰা খেতিৰ উন্নত পদ্ধতি আৰু প্ৰতিপালন**

এৰা গছৰ পাত এৰীপলুৰ মূল খাদ্য। অসমৰ পৰিবেশত একবৰ্ষী আৰু বহুবৰ্ষী দুই বিধৰ এৰা গছ পোৱা যায়। সাধাৰণতে ৰঙা আৰু সেউজীয়া ৰঙৰ, পাউদাৰযুক্ত আৰু পাউদাৰবিহীন আদি নানা জাতৰ এৰা গছ পোৱা যায়। অসমত এৰী পলু পালকসকলৰ কোনো নিৰ্দিষ্ট প্ৰণালীবদ্ধ এৰা গছৰ খেতি নথকাৰ বাবে তেওঁলোকে ওচৰ-পাজৰত হোৱা এৰা গছৰ পাত সংগ্ৰহ কৰি এৰী পলু পালন কৰে। ফলত, উন্নত মানৰ পাত উপযুক্ত পৰিমাণে যোগান ধৰিব নোৱাৰাৰ বাবে এৰীসূতাৰ উৎপাদন আশানুৰূপ নহয়। সেয়েহে এৰীপলু পালনত এৰা পাতৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি এই প্ৰত্ৰিকাত এৰা খেতিৰ বিজ্ঞানসন্মত কৃষি পদ্ধতি উল্লেখ কৰা হৈছে।

**মাটি নিৰ্বাচন ঃ**

- জৈৱিক সাৰযুক্ত ওখ, পানী জমা নোহোৱা সমান মাটি এৰা খেতিৰ বাবে উপযুক্ত।
- এৰা-তলীৰ পৰা পানী ওলাই যোৱাৰ সু-ব্যৱস্থা থাকিব লাগে।
- মাটিৰ অম্লতা ($P^H$) ৫.০-৬.০ ৰ ভিতৰত হোৱাৰ আৱশ্যক।

**এৰা গছৰ জাত আৰু বীজ নিৰ্বাচন ঃ**

- স্থানীয় জাতৰ ভিতৰত পাউদাৰবিহীন ৰঙা জাতৰ আৰু অধিক উৎপাদনক্ষম জাতৰ ভিতৰত ৪৮-১ ৰ নিৰোগী আৰু পুৰঠ বীজহে এৰা খেতিৰ বাবে নিৰ্বাচন কৰা উচিত।

**এৰা-তলী প্ৰস্তুতিকৰণ ঃ**

- মাটিডৰা ২-৩ বাৰ দকৈ হালবাই চাহ কৰা উচিত।
- উক্ত মাটিত ৯০ ছে.মি. দূৰত্বত ভেটি কৰি, ভেটিৰ ওপৰত ৪৫ ছে.মি. দূৰত্বত খল খান্দি ল'ব লাগে।

**সাৰ প্ৰয়োগ ঃ**

- মাটি চহোৱাৰ সময়ত প্ৰতি বিঘাত ৬.৫ কুইন্টল পচন সাৰ আৰু ১৭ কি.গ্ৰা. ইউৰিয়া, ৩৩ কি.গ্ৰা. চিংগল চুপাৰ ফচফেট (এছ.এছ.পি.) আৰু ৪ কি.গ্ৰা. মিউৰেট অৱ পটাছ (এম.অ.পি.) সাৰ প্ৰয়োগ কৰিব লাগে। আটাইখিনি এছ.এছ.পি. আৰু এছ.এছ.পি. সাৰ মাটি চহোৱাৰ সময়ত প্ৰয়োগ কৰিব লাগে। ইউৰিয়া সাৰখিনি সমানে দুভাগ কৰি এভাগ মাটি চহোৱাৰ সময়ত আৰু আনটো ভাগ গুটি সিঁচাৰ ৪৫ দিনৰ পাছত প্ৰয়োগ কৰিব লাগে। এই দ্বিতীয়ভাগ ইউৰিয়া গছৰ গুৰিৰ পৰা ১০-১৫ ছে.মি. আঁতৰত খল (furrow) খান্দি গছৰ শাৰীবোৰৰ মাজত প্ৰয়োগ কৰিব লাগে।

**বীজ শোধন ঃ**

- বীজ সিঁচাৰ আগতে ৰাসায়নিক ঔষধ কেপটাফ নাইবা ৰেভিষ্টিন প্ৰতি লিটাৰ পানীত ৩ গ্ৰামকৈ মিহলাই সেই মিশ্ৰণত বীজখিনি ১৬-১৮ ঘন্টা তিয়াই ৰাখি শোধন কৰি ল'ব লাগে।

**বীজ সিঁচাৰ সময় আৰু পদ্ধতি ঃ**

- চ'ত-বহাগ (মাৰ্চ-এপ্ৰিল) আৰু আহিন-কাতি (অক্টোবৰ-নৱেম্বৰ) মাহ এৰা গছৰ বীজ সিঁচাৰ বাবে উত্তম সময়।
- আগতে তৈয়াৰ কৰি লোৱা প্ৰতিটো খলত ৩ টাকৈ পুৰঠ বীজ কমেও ৬ ছে.মি. দকৈ পুতি দিব লাগে।

- বীজ সিঁচাৰ পাছত প্ৰয়োজন সাপেক্ষে ২-৩ বাৰ পানী দিয়াৰ ব্যৱস্থা কৰা উচিত।
- বীজ সিঁচাৰ পৰা ৭-১০ দিনৰ ওপৰত বীজ অংকুৰিত হয়।
- পুলিবিলাক ১৫ ছে.মি. মান ওখ হোৱাৰ লগে লগে আটাইতকৈ নিশকতীয়া পুলিটো উভালি দিব লাগে। বাকী পুলি দুটা ৩০ ছে.মি. মান ওখ হ'লে আটাইতকৈ ভাল পুলিটো ৰাখি আনটো উভালি পেলাব লাগে আৰু পুলিটোৰ গুৰিত মাটি চপাই দিব লাগে।

**প্ৰতিপালন ঃ**

- এৰা খেতিডৰাত মাটিৰ জীপ কমি গ'লে প্ৰয়োজন সাপেক্ষে ১৫-২০ দিনৰ ব্যৱধানত ২-৩ বাৰ জলসিঞ্চনৰ ব্যৱস্থা কৰিব লাগে।
- এৰা খেতিডৰাত ৩-৪ বাৰ পাতলিয়াকৈ কোৰ মাৰি ঘাঁহ বন নিৰাই দিব লাগে।
- ৰোগ আৰু কীট পতঙ্গ নিয়ন্ত্ৰণ ঃ

এৰা গছপুলি পোৰা (seedling blight) বেমাৰৰ দ্বাৰা আক্ৰান্ত হ'লে কপাৰ অক্সিক্লৰাইড (ফাইট'লান) প্ৰতিলিটাৰ পানীত ৩ মি.লি. হিচাবে লৈ গছৰ গুৰিত মাটিত প্ৰয়োগ কৰিব লাগে আৰু আক্ৰান্ত পুলিবোৰ উভালি পেলাব লাগে।

কীট-পতঙ্গৰ ভিতৰত এৰা গছত পাত শোহ পোক (castor semi looper), এৰা মজ্জা আৰু গুটি খোৱা পোক (castor shoot and capsule borer), ৰঙা বিছা (red hairy caterpillar), castor jassids ৰ আক্ৰমণ দেখা যায়। নিয়ন্ত্ৰণ ব্যৱস্থা হিচাবে আক্ৰান্ত হোৱা গছৰ ডাল, পাতবোৰ কাটি পাতত থকা বিছাবোৰ নষ্ট কৰি পেলাব লাগে। ৰাসায়নিক পদ্ধতিৰে এন্দোচালফন চাৰি শতাংশ (Endosulphon 4%) দ্ৰৱণ এৰা খেতিডৰাত প্ৰয়োগ কৰিব লাগে।

- কৃষি পৰিচালনা ঃ

পাতৰ উৎপাদন বৃদ্ধিৰ কাৰণে মুখ্য আৰু গৌণ ডালবোৰৰ আগবোৰ কাটি দিব লাগে আৰু গৌণ ডালৰ পুষ্প মুকুলবোৰ আতৰাই দিব লাগে।

**পাত সংগ্ৰহ ঃ**

- পলু পালনৰ বাবে পুলি গজাৰ ২$^{১}/_{২}$-৩ মাহৰ পাচত প্ৰথম পাত সংগ্ৰহ কৰিব পাৰি।
- প্ৰথম পাত সংগ্ৰহৰ ১-১$^{১}/_{২}$ মাহৰ অন্তৰে অন্তৰে মাহ পৰ্য্যন্ত পাত সংগ্ৰহ কৰিব পাৰি।
- কীটনাশক দ্ৰব্য প্ৰয়োগ কৰিলে ২০-২৫ দিনৰ পাছতহে পাত সংগ্ৰহ কৰিব লাগে।

**এৰী পলু পালন পদ্ধতি ঃ**

উত্তৰ-পূৰ্বাঞ্চলৰ ৰেচম শিল্পৰ ভিতৰত এৰী পলুৰ স্থান অন্যতম। ভাৰতবৰ্ষত এৰী সূতা উৎপাদনৰ প্ৰায় ৫০ শতাংশ অসমত উৎপাদন কৰা হয়। এৰী পলু যিহেতু বহুচক্ৰী, ইয়াক বছৰটোত ৬-৭ বাৰ পুহিব পৰা যায়। অন্য পলুৰ তুলনাত এৰী যথেষ্ট ৰোগ প্ৰতিৰোধ ক্ষমতা আছে, তথাপি উন্নত কাৰিকৰী জ্ঞানৰ অভাৱত পলু পালকসকলে আশানুৰূপ ফল পাবলৈ অসমৰ্থ হয়। গতিকে এই পত্ৰিকাত বিজ্ঞানসন্মত পলু পালন পদ্ধতিৰ বিষয়ে উল্লেখ কৰা হৈছে।

**পলু পালন গৃহ ঃ**

- পলু পোহা গৃহত বতাহ চলাচলৰ সু-ব্যৱস্থা থাকিব লাগে।
- চাৰিওকাষে বাৰান্দাযুক্ত আছুতীয়া গৃহ পলু পুহিবৰ বাবে উপযুক্ত।
- পলু পোহা গৃহ সাধাৰণতে উত্তৰমুৰা হোৱা আৱশ্যক।
- পলু পোহা গৃহৰ দুৱাৰ-খিৰিকিবোৰ মাখি নাহিবৰ কাৰণে জালি লগোৱাৰ ব্যৱস্থা কৰিব লাগে।

**পলুৰ সঁচ নিৰ্বাচন ঃ**

- উন্নত, বেমাৰ বিহীন থলুৱা পলুৰ সঁচ নিৰ্বাচিত কৰিব লাগে।

**পলু পালনৰ সময় ঃ**

- চ'ত-বহাগ আৰু আহিন-কাতি মাহ পলু পালনৰ বাবে উপযুক্ত সময়।
- প্ৰয়োজনীয় পাতৰ ব্যৱস্থা থাকিলে এৰী পলু গোটেই বছৰ ধৰি পালন কৰিব পাৰি।

**পলু পালন গৃহ আৰু সঁজুলি পৰিশোধন ঃ**

- পলু পোহা ঘৰৰ মজিয়াখন আৰু সঁজুলিসমূহ শতকৰা চাৰিভাগ ফৰমেলিন পানীৰ লগত মিহলাই ধুই ল'ব লাগে।
- পলু পালন গৃহৰ চাৰওফালে ব্লিচিং পাউদাৰ আৰু চূণৰ মিশ্ৰণ স্প্ৰে কৰি দিব লাগে।
- পলু পালনৰ পিছত ততালিকে পলু পালন গৃহ আৰু সঁজুলিসমূহ একেধৰনেৰে পৰিশোধন কৰিব লাগে।

**কণী উমনি দিয়া ঃ**

- ২২-২৯° ছেন্টিগ্ৰেড উষ্ণতা আৰু ৮৫-৯০% আপেক্ষিক আদ্ৰতা এৰী পলুৰ কণী উমনি দিবৰ বাবে উপযুক্ত পৰিবেশ।

**পলুৰ কণীৰ পৰিশোধন ঃ**

- কণীবোৰ পলু জগাৰ আগতে ২% ফৰমেলিন (Formalin) দ্ৰৱৰে ধুই শোধন কৰি শুকুৱাই ল'ব লাগে।

**পলু পালন পদ্ধতি ঃ**

- কণী ফুটি ওলোৱাৰ পাচ সদ্যজাত পলুবোৰ সামূহিকভাৱে থুপ খাই থাকে। এৰা গছৰ কুমলীয়া পাত খাবলৈ দিলে পলুবোৰ পাতৰ তল ভাগলৈ বগাই আহে আৰু থুপ পাতি খাবলৈ আৰম্ভ কৰে। এনে অৱস্থাত পাতেৰে সৈতে পলুবোৰ ডলালৈ স্থানান্তৰ কৰা হয়। পলুৰ বয়সৰ লগত সামঞ্জস্য ৰাখি পলুৰ প্ৰথম আৰু দ্বিতীয় অৱস্থাত কুমলীয়া পাত, তৃতীয় অৱস্থাত মধ্যমীয়া আৰু চতুৰ্থ আৰু পঞ্চম অৱস্থাত পূৰঠ পাত খাবলৈ দিব লাগে।
- দেহ বৃদ্ধিৰ লগে লগে পলুৰ খোৱাৰ মাত্ৰাও ক্ৰমাৎ বৃদ্ধি পায়। সেয়েহে পলুৰ প্ৰথম অৱস্থাত দিনটোত এবাৰ, দ্বিতীয় অৱস্থাত দুবাৰ, তৃতীয় অৱস্থাত তিনিবাৰ, চতুৰ্থ আৰু পঞ্চম অৱস্থাত চাৰিবাৰ পাত খাবলৈ দিব লাগে।
- পলু পালনৰ সময়ত প্ৰতিদিনে ডলাৰৰ ভালদৰে পৰিষ্কাৰ কৰি দিব লাগে। প্ৰতিদিনে পুৰা ডলাবোৰৰ ওপৰত পলুটো সৰকিব পৰাকৈ একোখনকৈ জালি পাৰি, জালিৰ ওপৰত নতুন পাত দিব লাগে। তেনে কৰিলে ডলাত থকা পলুবোৰ জালিৰ ওপৰলৈ পাত খাবৰ বাবে বগাই আহে। পলুবোৰ জালিৰ ওপৰলৈ অহাৰ পাছত তলৰ ডলাখন ভালদৰে পৰিষ্কাৰ কৰি দিব লাগে।
- পলু পালন কৰোতে পলু পালন কৰা ঘৰটো আৰু সঁজুলিবোৰ প্ৰতিদিনেই পৰিষ্কাৰ কৰিব লাগে।
- উপযুক্ত পৰিবেশ নিয়ন্ত্ৰণ কৰিবৰ কাৰণে পলু পোহা ডলাবোৰত পলুৰ অৱস্থা অনুসৰি ইঁহতৰ পৰিমান নিৰ্ণয় কৰিব লাগে।
- তৃতীয়বাৰ মোট সলোৱাৰ পাচত পলুবোৰক এৰাপাতৰ জোকা বান্ধি (hanging) অৰ্থাৎ চাৰি বা পাচ খিলা পৈণত এৰাপাত একেলগ কৰি খেৰ বা তঙালেৰে বান্ধি দিব লাগে। জোকাবোৰ চাৰি খুটীয়া পলুপোহা ষ্টেণ্ডত পথালিকৈ বাঁহৰ মাৰি দি বান্ধি দিব পাৰি। জোকাবোৰৰ তলত ডলা ৰাখিলে পলুৰলাদ পেলোৱাত সহজ হয়।

**মোট সলাওতে ল'ব লগা সাৱধানতা ঃ**

- এৰী পলুৱে চাৰিবাৰ মোট সলায় বা ছাল কাটে।
- ছাল কটাৰ সময়ত পলু পালন কৰা ঘৰটো পৰিষ্কাৰ কৰি পাৰ্য্যমানে শুকান কৰি ৰাখিব লাগে।
- এৰী পলুৱে ছাল কটাৰ বা মোট সলোৱাৰ সময়ত পুলবোৰক পাত দিয়াতো অনুচিত। নতুন অৱস্থাপ্ৰাপ্ত হলেহে পলুক পাত খাবলৈ দিব লাগে।
- ছাল কটাৰ সময়চোৱাত পলুবোৰ হাতেৰে স্পৰ্শ কৰিব নালাগে বা কোনো ধৰণৰ আমনি দিব নালাগে।

**পলুৰ খোলা বা লেটা বন্ধা আৰু সংগ্ৰহ ঃ**

- পলু পকিলে পাতল আৰু স্পৰ্শ কৰিলে 'খৰ খৰ' এটা শব্দ হয়।
- খোলা বন্ধ ঘৰত ২৬-২৮° ছেঃ উষ্ণতা আৰু ৭০-৮০ শতাংশ আপেক্ষিক আৰ্দ্ৰতা নিয়ন্ত্ৰণ কৰিব লাগেআৰু বতাহ চলাচলৰ সুবিধা থাকিব লাগে।
- পকা পলু সংগ্ৰহ কৰি বাঁহৰ চন্দ্ৰকীত খোলা বান্ধিবলৈ দিব লাগে।
- জহকালি খোলা বন্ধাৰ পৰা ৬-৭ দিনত আৰু জাৰকালি ৮-৯ দিনত চন্দ্ৰকীৰ পৰা খোলা সংগ্ৰহ কৰিব লাগে।

*****

**(উৎস ঃ গৱেষণা সঞ্চালকালয়, অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট - ৭৮৫ ০১৩)**